# অনুভৱত দুধনৈ মহাবিদ্যালয়

**তুলসী ৰাজখোৱা**
মাজুলী মহাবিদ্যালয়

ঐতিহাসিক গোৱালপাৰা জিলাৰ ইতিহাসসমৃদ্ধ দুধনৈ অঞ্চলৰ একমাত্র উচ্চ শিক্ষানুষ্ঠান দুধনৈ মহাবিদ্যালয়। অসম কলেজ শিক্ষক সংস্থাৰ ৬৩ সংখ্যক বাৰ্ষিক অধিৱেশনখনি এই মহাবিদ্যালয়ত যোৱা ২৭, ২৮, ২৯ আৰু ৩০ ডিচেম্বৰ, ২০১৬ চনত অনুষ্ঠিত হৈছিল আৰু এই সুযোগতে আমাৰো মাজুলী মহাবিদ্যালয় আৰু মাজুলী মণ্ডলৰ হৈ প্ৰতিনিধিত্ব কৰাৰ সৌভাগ্য ঘটিছিল। ২৭ ডিচেম্বৰত মাজুলীৰ পৰা সহযোগী অপূৰ্বজ্যোতি হাজৰিকা আৰু দেৱজ্যোতি খাটনিয়াৰসহ এক নতুন অভিজ্ঞতা লাভৰ আশাৰে যাত্ৰা আৰম্ভ হৈছিল। একেদিনাই সন্ধিয়া ৭ মান বজাত মহাবিদ্যালয়ত উপস্থিত হৈ অভ্যৰ্থনা সমিতিৰ তৎপৰতা দেখি যথেষ্ট আপ্লুত হৈছিলোঁ। ৰাভা-হাছং সম্প্ৰদায়ৰ লোকৰ বসতিপূৰ্ণ এই অঞ্চলটিৰ প্ৰাকৃতিক পৰিৱেশ সঁচাই চকুত লগা। মহাবিদ্যালয় চৌহদৰ বৃহৎ বৃহৎ গছ আৰু অশ্বখুড়াকৃতিৰ পুখুৰীটিয়ে আশ্ৰয় সদৃশ এক পৰিৱেশ দিয়া দৃশ্যটি হয়তো অসমৰ অন্যান্য মহাবিদ্যালয়ত দেখা নাযায়। এনে পৰিৱেশে স্বাভাৱিকতে মনলৈ প্ৰশান্তি আনে। 'অতিথি দেৱ ভৱ' আদৰ্শৰে অধিৱেশনৰ সকলো সদস্যকে শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোৱে শুশ্ৰূষা কৰাৰ প্ৰয়াস কৰা কাৰ্যই আমাক এই অঞ্চলৰ প্ৰতি এক নতুন ধাৰণা দিলে। আমি এই আপাহতে মহাবিদ্যালয়ৰ লগতে অঞ্চলৰ ৰাইজৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ মাত-কথা, আচাৰ-ব্যৱহাৰ আদি সকলোতে পৰিপাত্যতা প্ৰকাশ ঘটিছিল, যি বৰ্তমান সময়ত অন্য স্থানত দেখিবলৈ বিৰল। শান্তিপূৰ্ণ পৰিৱেশ থকা এই দুধনৈ মহাবিদ্যালয়খনি এই অঞ্চলক প্ৰতিনিধিত্ব কৰা এক সংস্কৃতিৰ প্ৰতীক হিচাপে সদায় উজ্জ্বল হৈ থাকিব।

# Heartiest Thanks to the family of Dudhnoi College

**Topu Choudhury**
Asst. Prof.
Chilarai College, Golakganj


The 63rd Annual Conference of Assam College Teacher's Association (ACTA) was organized by ACTA, Goalpara Zone in Collaboration with Dudhnoi College from 27th, 28th, 29th and 30th December, 2016. Around 300 (Three Hundred) College Teachers of different colleges of Assam participated in the conference. Dudhnoi College, one of the premier institution of higher education of the state left no stone unturned to make the conference amicable and successful. The entire family members of Dudhnoi College tried their level best to offer the hospitally to the participants. During the conference, lots of critical issues of the suffering teachers were raised, discussion and criticisms were made, promises are made to solve the problems. But the most enlighten issue was the atmosphere of Dudhnoi College that is surrounded by Scenic Beauty and the hospitality bestowed upon the participants.

At the end, I offer my hearties congratulations to the entire family of Dudhnoi College and other colleges of Goalpara District for the successful organisation of the the 63rd ACTA conference.

# ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিৰে

# দুধনৈ মহাবিদ্যালয় আৰু আজিৰ অসম

সাম্প্ৰতিক সমাজ ব্যৱস্থা আৰু দুধনৈ মহাবিদ্যালয় সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলৰ মতামত জানিবলৈ বিচৰা হৈছিল আলোচনী বিভাগৰ পৰা। ছাত্ৰ-ছাত্ৰীসকলে আগবঢ়োৱা মন্তব্য তেওঁলোকৰ লেখাৰে—



## ♦ মহাবিদ্যালয়ত তোমাৰ প্ৰথম দিনটোৰ অনুভৱ কেনে?

● দুধনৈ মহাবিদ্যালয়ত মোৰ কলেজীয়া জীৱনৰ প্ৰথম আৰম্ভণি হৈছিল। ২০১৪ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ এই মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ কলা শাখাত নামভৰ্তি কৰিছিলোঁ। সেই বছৰৰে ১ আগষ্টৰ পৰা শ্ৰেণীসমূহ আৰম্ভ হৈছিল। মনত বহুত ভয়, শংকা, উত্তেজনা লৈ মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিছিলোঁ। কিন্তু চৌহদত প্ৰৱেশ কৰিয়েই আপ্লুত হৈ পৰিছিলো। ইয়াৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যই মোৰ মনটো ভৰাই তুলিছিল।

স্কুলত পঢ়ি থাকোতে কলেজলৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলক দেখি ভাবিছিলোঁ মই কেতিয়াবা কলেজত পঢ়িব পাৰিমনে? প্ৰথম কলেজত যোৱাৰ দিনা সেই কথাটো মনত পৰিছিল আৰু ৰোমাঞ্চিত হৈ পৰিছিলোঁ। ইতিমধ্যে বাতৰি কাকত, সংবাদমাধ্যমত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক পুৰণি ছাত্ৰ-ছাত্ৰীসকলে ৰেগিং কৰাৰ নানা ঘটনা দেখিবলৈ পাইছিলো। সেয়েহে মনত ভয় সোমাই আছিল। কিন্তু অগ্ৰজ দাদা-বাইদেউসকলৰ মৰমসুলভ ব্যৱহাৰে সকলো ভয় নাইকিয়া কৰিছিল। বিভিন্ন অঞ্চলৰ পৰা অহা নতুন সহপাঠীসকলৰ লগত চিনাকি হৈছিলোঁ আৰু বন্ধুত্ব গঢ় লৈ উঠিছিল।

সন্মানীয় দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° গোপাল ফুকন আৰু সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলৰ মৰম তথা বন্ধুত্বসুলভ ব্যৱহাৰে মোৰ মনৰ সকলো ভয়, শংকা নাইকিয়া কৰিছিল। মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটোৰ অনুভৱ এনেদৰেই স্মৃতিপটত আজিও সজীৱ হৈ আছে।

**দেৱব্ৰত বৰ্মন**, তৃতীয় ষাণ্মাসিক, দৰ্শন বিভাগ

## ♦ মহাবিদ্যালয়ত তোমাৰ লগত ঘটা যিকোনো হাস্যমধুৰ অভিজ্ঞতা?

● তেতিয়া মই উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষত পঢ়ো। তেতিয়াৰ কোনোবা এটা দিনতে সেই হাঁহি উঠা ঘটনাটো ঘটিছিল। মোৰ দেউতাৰ অসুখ হৈ থকা বাবে কলেজৰপৰা আহোতে মায়ে মোক ঔষধ আনিবলৈ কৈছিল। সেইদিনা মই লগৰকেইজনীৰ সৈতে কলেজলৈ গৈ আছিলো। মই আৰু মোৰ এজনী বান্ধৱী ফাৰ্মাচীলৈ গ'লো আৰু বাকী লগৰকেইজনী অলপ আঁতৰত আমালৈ ৰৈ থাকিল। ফাৰ্মাচীত সোমাই ফাৰ্মাচীত থকা ল'ৰাজনক শ্লিপ (slip) খন দেখুওৱাত তেওঁ দোকানত থকা ঘড়ীবোৰলৈ আঙুলিয়ালে। আচলতে ফাৰ্মাচীখনৰ লগতে এখন ঘড়ীৰ দোকান আছিল। সেইদিনা ফাৰ্মাচীখন বন্ধ আছিল। কথা পাতি পাতি ভুলতে ঘড়ীৰ দোকানত সোমাইছিলোঁ। ল'ৰাজনে ঘড়ীবোৰ দেখুৱাই দিয়াত লাজত ম্ৰিয়মান হৈ হাঁহি এটা মাৰি একো নোকোৱাকৈ প্ৰায় দৌৰি পলোৱাদি দোকানৰ পৰা ওলাই আহিলোঁ। আহি ৰৈ থকা লগৰকেইজনীক কোৱাত সিহঁতে হাঁহিত ছিটিকি পৰিল। লগতে আমিও হাঁহিলোঁ। সেই সময়ত ইমানেই লাজ লাগিছিল যে পিছলৈ দোকানৰ আগেদি অহা-যোৱা কৰিবলৈকে লাজ লাগিছিল জানোচা ল'ৰাটোৱে মোক দেখি হাঁহে।

আজিও লগৰকেইজনীক কেতিয়াবা লগ পালে সেই স্মৃতি ৰোমন্থন কৰি হাঁহো।

**ধনিমাজ্যোতি ৰাভা**

স্নাতক তৃতীয় ষাণ্মাষিক, গণিত বিভাগ

## ♦ তোমাৰ দৃষ্টিত অসমৰ পাঁচটা প্ৰধান সমস্যা কি বুলি ভাবা?

● মোৰ দৃষ্টিৰে বৰ্তমান সময়ত অসমৰ এটা অতি গুৰুত্বপূৰ্ণ সমস্যা হৈছে চোৰাং চিকাৰৰ বেহা। সংবাদমাধ্যমত প্ৰায়ে আমি কাজিৰঙাৰ চোৰাংচিকাৰীয়ে আমাৰ গৌৰৱ এশিঙীয়া গঁড়ৰ লগতে বিভিন্ন অঞ্চলত মূল্যবান কাঠ আৰু পশুপক্ষীৰো ব্যৱসায় কৰাৰ বিষয়ে খবৰ পাই থাকো। এই ধৰণৰ চোৰাং ব্যৱসায়ে অসমৰ জৈৱ বৈচিত্ৰতাৰ প্ৰতি ভাবুকি অনাৰ লগতে আমাৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰতিও সংশয় কঢ়িয়াই আনিছে।

দ্বিতীয় সমস্যাটো হ'ল, গ্ৰামাঞ্চলৰ চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহত উপযুক্ত আন্তঃগাঁথনি আৰু পৰ্যাপ্ত শিক্ষকৰ অভাৱ। যাৰ ফলত এই শিক্ষানুষ্ঠানসমূহে ব্যক্তিগত খণ্ডৰ লগত ফেৰ মাৰিব নোৱাৰে। গাওঁসমূহতো সেয়েহে অভিভাৱকে নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানলৈহে পঠাব বিচাৰে, যিয়ে চৰকাৰী খণ্ডৰ অৱস্থা আৰু পুতৌলগা কৰি তুলিছে।

মোৰ দৃষ্টিৰে অসমৰ আন এটা সমস্যা হ'ল, বানপানী সমস্যা। অৰণ্য ধ্বংস, প্ৰকৃতিৰ ওপৰত মানুহৰ অত্যাচাৰ, উন্নয়নমূলক প্ৰকল্প আদি বিভিন্ন কাৰণত আমাৰ ৰাজ্যত যিকোনো সময়তেই বানপানী হোৱা দেখা যায়। তদুপৰি, গুৱাহাটীৰ দৰে মহানগৰত হোৱা কৃত্ৰিম বানপানীও উল্লেখযোগ্য।

চতুৰ্থতে, অৰ্থনৈতিক অনগ্ৰসৰতাও অসমৰ এটা প্ৰধান সমস্যা। স্বাধীনতাৰ সত্তৰ বছৰৰ পিছতো বৰ্তমানেও বহু গাঁৱত বিজুলী-বাতিৰ ব্যৱস্থা নাই, আৰু শিক্ষানুষ্ঠানৰ অভাৱ, যাতায়াত ব্যৱস্থাৰ অভাৱ দেখা যায়।

পঞ্চমতে, অসমৰ এটা প্ৰধান সমস্যা হ'ল— অবৈধ বাংলাদেশীৰ প্ৰব্ৰজনৰ সমস্যা। বৰ্তমান এই বিষয়টোক লৈ বিভিন্ন ৰাজনৈতিক দলৰ মাজত আঁৰিয়া-অৰি হোৱাও দেখা যায়।

মোৰ মতে এই সমস্যাসমূহ দূৰ কৰিব পাৰিলেহি আমাৰ ৰাজ্যখনৰ উন্নতি হ'ব।

**হৃদয়া ৰায়**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

## ♦ মহাবিদ্যালয়ৰ কোনটো দিশে তোমাক বেছি আকৰ্ষিত কৰিছে?

● দুধনৈ মহাবিদ্যালয়খন বিভিন্ন দিশৰ পৰা আকৰ্ষণীয়। বিশেষকৈ ইয়াৰ প্ৰাকৃতিক তথা শৈক্ষিক পৰিৱেশে মোৰ আৰম্ভণিৰ পৰাই আকৰ্ষিত কৰি আহিছে। কিন্তু মোক আটাইতকৈ বেছি আকৰ্ষিত কৰে মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোৱে।

দুধনৈ মহাবিদ্যালয় বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি। ইয়াত ৰাভা, বড়ো, গাৰো, নেপালী, বাঙালী, কোচ ৰাজবংশী ইত্যাদি বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। আমাৰ মহাবিদ্যালয়খন বাৰে ৰহণীয়া সংস্কৃতিৰ মিলনভূমি বুলি ক'লেও ভুল কোৱা নহয়। মহাবিদ্যালয়ত সময়ে সময়ে অনুষ্ঠিত হৈ থকা বিভিন্ন অনুষ্ঠান যেনে— নৱাগত আদৰণি সভা, মহাবিদ্যালয় সপ্তাহ, সাংস্কৃতিক কৰ্মশালা ইত্যাদিৰ যোগেদি প্ৰত্যেক জনগোষ্ঠীয়ে নিজৰ কলা-কৃষ্টি, সংস্কৃতি প্ৰদৰ্শন কৰিবলৈ সুবিধা লাভ কৰে। প্ৰত্যেকেই নিজৰ পৰম্পৰাগত সাজ-পোছাক, অলংকাৰ পৰিধান কৰি, বাদ্য যন্ত্ৰৰ মাধ্যমত নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰা দিশটোৱে মোক অতি আকৰ্ষিত কৰে।

এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° গোপাল ফুকন মহোদয় প্ৰমুখ্যে সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহ যোগায়। ইয়াৰোপৰি এই ক্ষেত্ৰত দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ তৎপৰতা অতি প্ৰশংসনীয়।

**ৰূপম পাল**
তৃতীয় যাণ্মাসিক, দৰ্শন বিভাগ


● দুধনৈ মহাবিদ্যালয়খন মই প্ৰথম দেখাৰ সময়তেই মহাবিদ্যালয়খনৰ যি প্ৰাকৃতিক সৌন্দৰ্য, এই মনোৰম সৌন্দৰ্যই মোক আকৰ্ষিত কৰিছিল। মোৰ বোধেৰে বিশাল মাটিকালিৰে সৈতে মহাবিদ্যালয় চৌহদৰ যি অপৰূপ সৌন্দৰ্য, সেয়া হয়তো অমসৰ আন কোনো মহাবিদ্যালয়তে পোৱা নাযাব। মূল প্ৰবেশদ্বাৰেৰে সোমাই যাওঁতে পোৱা বাওঁদিশৰ পুখুৰীটো, পুখুৰীৰ পাৰত থকা এজাৰ, সোণাৰু, কৃষ্ণচূড়া, ৰাধাচূড়া আদি অলেখ গছৰ শাৰী, সোঁ কাষৰ ডাঙৰ খেলপথাৰখন এই সকলোবোৰেই যিকোনো লোককে মহাবিদ্যালয়খনৰ প্ৰতি আকৰ্ষিত কৰিব। তদুপৰি, পুখুৰীৰ ওপৰত নিৰ্মাণ কৰা ধুনীয়া দলংখন আৰু পুখুৰীৰ পাৰতে নিৰ্মিত সৰস্বতী দেৱীৰ মূৰ্তিটোৱে সোণত যেন সুৱগা চৰাইছে।

**নিশা দাস**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

♦ জ্ঞান আহৰণৰ বাবে তুমি কোনটো বেছি প্ৰয়োজনীয় বুলি ভাবা? গ্ৰন্থ অধ্যয়ন নে ইন্টাৰনেটৰ ব্যৱহাৰ?

● জ্ঞান আহৰণৰ ক্ষেত্ৰত গ্ৰন্থ অধ্যয়ন আৰু ইন্টাৰনেট দুয়োটাৰে নিজা নিজা গুৰুত্ব আছে যদিও এই ক্ষেত্ৰত মোৰ বোধেৰে গ্ৰন্থ অধ্যয়নহে বেছি প্ৰয়োজনীয়। গ্ৰন্থৰ সৃষ্টি ইন্টাৰনেটতকৈ বহুত আগতেই হৈছিল। তদুপৰি গ্ৰন্থ এখনক আমি বিশ্বাস কৰিব পাৰো। কিন্তু ইন্টাৰনেটৰ ক্ষেত্ৰত দেখা যায় যে এটা বিষয়ৰ ক্ষেত্ৰত বিভিন্ন ব্যক্তিয়ে বিভিন্ন মতামত আগবঢ়ায়। ইয়াৰ ফলত কোনটো ভাল, কোনটো বেয়া, কোনটো সঁচা, কোনটো মিছা সঠিককৈ নিৰ্বাচন কৰিবলৈ অসুবিধা হয়। ইয়াৰোপৰি ইন্টাৰনেটৰ বিভিন্ন ছাইটসমূহেও এজন ব্যক্তিক এটা বিষয় নিৰ্দিষ্টকৈ অধ্যয়ন কৰাত অস্থিৰ কৰি তোলে। অস্থিৰ মনেৰে আমি কেতিয়াও সঠিক জ্ঞান আহৰণ কৰিব নোৱাৰোঁ। গ্ৰন্থ এখনত যিহেতু নিৰ্দিষ্ট বিষয় সম্বন্ধেই উল্লেখ থাকে আৰু সেই বিষয় সম্বন্ধে আমি সুস্থিৰ মগজুৰে অধ্যয়ন কৰিব পাৰো। তদুপৰি অধিক ইন্টাৰনেটৰ ব্যৱহাৰে আমাৰ চকু আৰু মগজুৰো অনিষ্ট কৰিব পাৰে। সেয়েহে মই ভাবো জ্ঞান আহৰণৰ ক্ষেত্ৰত ইন্টাৰনেটতকৈ গ্ৰন্থ অধ্যয়নহে বেছি প্ৰয়োজনীয়।

**পল্লৱী ৰাভা**
স্নাতক পঞ্চম ষাণ্মাসিক, দৰ্শন বিভাগ



● Internet may be a faster medium of knowledge than reading books, but the former has many repurcussions than the later. Overuse and misuse of internet may bring different problems. For instance, sticking to internet in smartphone or computer for a long time may create problems to eye, like loss of eyesight, eye pain etc. Similarly, misuse of the same may lead to problems related to cyber crime. Students are more vulnerable to this problem than the grown up. Therefore, unguided and unprotected use of internet may render the learning process unsuccessful. On the other hand, reading books donot have these disadvantages, rather it provides authentic, reliable and practical knowledge about life and society. Moreover reading books creates habits, affords a society of cultured people, freedom of mind, brings a sense of immediacy and relevance with the subjects. Therefore, in may perspectives, habits of reading books is for more effective and reliable than internet.

**Sangita Sarkar**
H.S. 2nd Year




# মেজৰ লিটুল গগৈৰ ভাষাৰে ‘মানৱ ঢাল’ৰ সবিশেষ

**প্ৰবীণ সৰকাৰ**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মেজৰ নিতিন লিটুল গগৈ। কাশ্মীৰত কৰ্মৰত ৫৩নং ৰাষ্ট্ৰীয় ৰাইফলছৰ মেজৰ এইগৰাকী অসম সন্তান হঠাৎ চৰ্চিত হৈ উঠে যোৱা এপ্ৰিল মাহত। বিদ্ৰোহী জনতাৰ মাজৰপৰা সাধাৰণ লোক আৰু সতীৰ্থ সৈনিক বন্ধুসকলক বচাবৰ বাবে প্ৰতিবাদকাৰী এজনক মানৱ ঢাল হিচাপে ব্যৱহাৰ কৰা ঘটনাই সমগ্ৰ দেশতে তীব্ৰ চাঞ্চল্য আৰু বিতৰ্কৰ সূচনা কৰে। বহুতে এই কাৰ্যক মেজৰ লিটুল গগৈৰ সাহসিকতা আৰু তাৎক্ষণিক বুদ্ধিমত্তাৰ পৰিচায়ক বুলি ক'ব বিচাৰে যদিও কিছু লোকে ইয়াক মানৱতাবিৰোধী কাৰ্য বুলি অভিহিত কৰিছিল। বিভিন্ন সংবাদ মাধ্যম আৰু ছ'চিয়েল মিডিয়াত মানৱ ঢাল ব্যৱহাৰক লৈ যথেষ্ট যুক্তি-আলোচনা আৰু সমালোচনা হোৱা দেখা গৈছিল। তেনে সময়তেই মে' মাহৰ ২৩ তাৰিখে তেওঁ সংবাদ মাধ্যমৰ সন্মুখত সমগ্ৰ ঘটনা ব্যাখ্যা কৰে। মেজৰ গগৈৰ ইংৰাজী ভাষ্যৰ অসমীয়া ভাবানুবাদ তলত দাঙি ধৰা ধৰা হ'ল—

“মই যিটো ঘটনা বৰ্ণনা কৰিব বিচাৰিছো, সেই ঘটনাটো সংঘটিত হৈছিল যোৱা ৯ এপ্ৰিল তাৰিখে। সেইদিনা জম্মু-কাশ্মীৰৰ বুডগাম সমষ্টিৰ উপ-নিৰ্বাচন আছিল আৰু মই নিৰাপত্তা বাহিনী আৰু ৰাজ্যিক পুলিচৰ সহযোগত এই নিৰ্বাচন ভালদৰে অনুষ্ঠিত কৰিবলৈ দায়িত্ব লৈছিলোঁ। সেইদিনাই পুৱা ৯ বাজি


১৫ মিনিটত মোলৈ এটা ফোন আহিছিল। ফোনটো আছিল উট্‌লিগাম আৰু গুণ্ডিপাৰাৰ নিৰাপত্তাৰ দায়িত্বত থকা আৰক্ষী বিষয়াজনৰ। তেওঁ মোক ফোনত জনাইছিল যে গুণ্ডিপাৰা ভোটদান কেন্দ্ৰটো প্ৰায় চাৰিশ/পাঁচশমান মানুহে আগুৰি আছে আৰু তেওঁলোকে কেন্দ্ৰটোলৈ শিল দলিয়াইছে। যিহেতু ভোটকেন্দ্ৰটোৰ ভিতৰত কেইজনমান নিৰ্বাচনী বিষয়া আৰু ITBPৰ মানুহ আছিল, মই অলপো সময় নষ্ট নকৰি গুণ্ডিপাৰালৈ ৰাওনা হ'লো। ৰাস্তাত আক্ৰমণকাৰীসকলৰ বেছ ফালি কেন্দ্ৰটো পাবলৈ আমাক ৩০ মিনিট সময় লাগিছিল। শিল দলিওৱা মানুহখিনিৰ মাজেৰে গৈ খুব কষ্টেৰে আমি নিৰ্বাচনী কৰ্মী আৰু সুৰক্ষা কৰ্মীসকলৰ খবৰ লৈছিলো। ১০ বাজি ৩০ মিনিটত সেই একেজন আৰক্ষী বিষয়াই পুনৰ মোক ফোন কৰি কয় যে প্ৰায় ১২০০ জনীয়া এটা দলে উট্‌লিগাম ভোটকেন্দ্ৰটো আগুৰি ধৰিছে আৰু তেওঁলোকে আনকি পেট্ৰ'ল বোমাও কেন্দ্ৰটোলৈ নিক্ষেপ কৰিছে। মই সময় নষ্ট নকৰি মোৰ চাৰিজন জোৱানক লৈ পুনৰ উট্‌লিগামলৈ ৰাওনা হ'লো। গুণ্ডিপাৰাৰ পৰা উট্‌লিগামলৈ দূৰত্ব আছিল প্ৰায় ১.৫ কিঃ মিঃ। ৰাস্তাত আমি বহুতো বাধা পাইছিলো। যিমান পাৰি এনে বাধা আঁতৰাই আমি যেতিয়া তাত পাইছিলো, মানুহবিলাক খুব আক্ৰমণাত্মক হৈ পৰিছিল আৰু মহিলা, শিশুসহ দলটোৰ সকলোৱে আমাৰ ওপৰত শিল দলিয়াবলৈ আৰম্ভ কৰিছিল। আনকি ঘৰৰ মূধচৰ পৰাও ডাঙৰ শিলাখণ্ড দলিয়াইছিল, যাৰ বাবে আমি নিজৰ বাহনৰ পৰা ওলাব পৰা নাছিলো। উপায়ন্তৰ হৈ মই মোৰ মেগাফোনটোত ঘোষণা কৰিছিলো যে আমি নিৰ্বাচনী কেন্দ্ৰত থকা মানুহকেইজনকহে নিবলৈ আহিছোঁ। কিন্তু দলটোৱে মোৰ কোনোধৰণৰ ঘোষণাৰ প্ৰতি সহাঁৰি জনোৱা নাছিল। বৰঞ্চ শিলাবৰ্ষণ বৃদ্ধিহে হৈছিল। আৰু আমি যোৱা গাড়ীখনো ভাঙো ভাঙো যেন



কৰিলে প্ৰতিবাদকাৰীসকলে। সেই সময়তে মোৰ চকুত পৰিল মোৰ পৰা মাত্ৰ ৩০ মিটাৰমান দূৰত থিয় হৈ থকা এজন চুটি-চাপৰ মানুহৰ ওপৰত। মোৰ মনত এটা বুদ্ধি খেলালে। শিল দলিয়াবলৈ বাকী লোকসকলক উচটাই থকা আৰু দেখাতেই ৰিং লিডাৰ যেন লগা (তেওঁ আনকি ভাৰতবিৰোধী শ্ল'গানো দিছিল) সেই মানুহজনক যিকোনো উপায়েৰে কৰায়ত্ত কৰিবলৈ লগৰকেইজনক ক'লো। মানুহজনে কিবা উমান পাই (মটৰ চাইকেল এখনেৰে) পলাবলৈ চেষ্টা কৰিছিল যদিও আমি তেওঁক কৰায়ত্ত কৰিলো। মানুহজনৰ নাম আছিল ফাৰুক আহমেদ ডৰ। তেওঁক ধৰাৰ লগে লগে আক্ৰমণকাৰী দলটোৰ মানুহখিনি যেনি-তেনি পলাইছিল। তেওঁক লগত লৈ আমি উট্‌লিগাম ভোটকেন্দ্ৰৰ পিনে খোজকাঢ়ি ৰাওনা হৈছিলো। তাতেই আমি ITBPৰ এখন মাইন সুৰক্ষিত বাহন পালো আৰু সেইখনত উঠিয়েই আমি ভোটকেন্দ্ৰটো পালোগৈ। তাত মই ৪ জন নিৰ্বাচনী বিষয়া, ৭ জন ITBP বিষয়া আৰু এজন জম্মু-কাশ্মীৰৰ পুলিচ কনিষ্টবলক উদ্ধাৰ কৰো আৰু মাইন সুৰক্ষিত বাহনখনৰ ওচৰলৈকে আহো। কিন্তু বাহনখন বোকাত আৱদ্ধ হৈ পৰাত আক্ৰমণকাৰী লোকসকল পুনৰ গোট খাবলৈ আৰম্ভ কৰে আৰু আগতকৈও অধিক আক্ৰমণাত্মক হৈ উঠে। তেতিয়া মই লগৰ জোৱানকেইজনক যিকোনো উপায়েৰে গাড়ীখন বোকাৰ পৰা উদ্ধাৰ কৰিবলৈ ক'লো। জোৱানকেইজনে কোনোমতে গাড়ীখন চলিব পৰা কৰিলে। আক্ৰমণকাৰী দলটোৱে শিলৰ উপৰিও আমাৰ ওপৰত এটা পেট্ৰ'ল বোমা নিক্ষেপ কৰে। ভাগ্য ভাল যে, বোমাটো ফুটা নাছিল। তেনে পৰিস্থিতিত মোৰ সতীৰ্থসকলে কৈছিল যে আমি গুলীচালনা কৰাৰ বাহিৰে বেলেগ উপায় নাই, কাৰণ এনে আক্ৰমণৰ মাজৰপৰা আজি জীৱন্তে ওলাই অহাৰ কোনো সম্ভাৱনা দেখা পোৱা নগৈছিল। কিন্তু মই ভাবিছিলো যে গুলীচালনা কৰিলেই মানুহ মৰিব আৰু তাত মহিলা, শিশু সকলো আছিল। মানুহবিলাক আৰু অধিক জংগী হৈ পৰিব। মই পুনৰ ঘোষণা কৰিছিলো যে আমাক যাতে তাৰপৰা তেওঁলোকে সুৰক্ষিতভাৱে ওলাই যাবলৈ দিয়ে। কিন্তু তেওঁলোকে মোৰ কোনো কথা শুনা নাছিল। সেই সময়তে মোৰ মনত পুনৰ এটা বুদ্ধি খেলালে। এইবাৰ জোৱানকেইজনৰ সহযোগত ফাৰুকক গাড়ীৰ সন্মুখৰ গাৰ্ডত বহুৱাই বান্ধি পেলালো। দলটো হতচকিত হৈ পৰিছিল আৰু সেই সুবিধাতেই গাড়ীখন আমি তাৰপৰা উলিয়াই আনিবলৈ সক্ষম হ'লো আৰু ভোটকেন্দ্ৰটোৰ কৰ্মীসকলক বচাই সুৰক্ষিতভাৱে পালোহি। ইয়াৰ দ্বাৰা সকলোৰে জীৱন ৰক্ষা পৰিছিল।"

উল্লেখযোগ্য যে এই ঘটনাৰ পিছত জম্মু আৰু কাশ্মীৰ আৰক্ষী বাহিনীয়ে সেনাবাহিনীৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰিছিল। ১৫ এপ্ৰিল তাৰিখে সেনাই এই ঘটনাৰ অনুসন্ধানৰ বাবে এখন ক'ৰ্ট অব্ এনকুৱাৰী গঠন কৰে। পিছত এই ক'ৰ্টে লিটুল গগৈক ক্লীনশ্বিট প্ৰদান কৰি নিৰ্দোষী বুলি ঘোষণা কৰে। তদুপৰি, স্থল সেনাপ্ৰধান বিপিন ৰাৱটে ২২ মে'ত মেজৰ গগৈক 'চীফ অব্ আৰ্মী কমেণ্ডেশ্যন' কাৰ্ড প্ৰদান কৰে।

# মহৎ লোকৰ বাণী



♦ কিতাপৰ পাতৰ পৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে তোমালোকৰ চৰিত্ৰ দিব নোৱাৰে। চৰিত্ৰ গঠন আচল জীৱনৰ পৰাহে আহে। প্ৰকৃতপক্ষে তোমালোকৰ নিজৰ ভিতৰৰ পৰাহে চৰিত্ৰ বিকাশ হ'ব লাগিব।

■ **মহাত্মা গান্ধী**।

♦ অসমীয়া জাতিৰ প্ৰতিভা ভাগ্যৰ জাপৰ তলত লুকাই আছে। সুযোগ আৰু সুবিধা পালেই এদিন সি ভমকাই উঠিব।

■ **চন্দ্ৰকুমাৰ আগৰৱালা**।



♦ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ 'কেটেলগ' বা যাদুঘৰ নহয়। নিৰ্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেঁচা সঁজুলি গঢ়ি পিটি ল'লেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়।

■ **কৃষ্ণকান্ত সন্দিকৈ**।

♦ ঈশ্বৰক প্ৰাৰ্থনা কৰিবলৈ শিকা, সত্যইহে মানুহক মহৎ আৰু সম্ভ্ৰান্ত কৰে।

■ **বাণীকান্ত কাকতি**।

♦ এজন মানুহে কোৱা কথাৰ ওপৰত বিচাৰ নকৰিবা। তেওঁ কিয় সেই কথা ক'লে সেইটোহে বিচাৰ কৰিবা।

■ **টমাচ পেন**।



♦ খাবৰ বাবে, পিন্ধিবৰ বাবে, মূৰ গুজিবৰ বাবে মানুহে যিহকে কৰে সেয়ে কলা-কৃষ্টিৰ জগত, সেয়াও সংগ্ৰামৰে ক্ষেত্ৰ। তাৰ জৰিয়তেও গণজাগৰণ আনিব পাৰি। বিপ্লৱৰ এক হাতিয়াৰ হ'ল মানুহ।

■ **বিষ্ণুৰাভা**।

♦ জীৱন জুখিবা হাঁহিৰে, চকুলোৰে নহয়। আয়ুস জুখিবা বন্ধুৰে, বছৰেৰে নহয়।

■ **লক্ষ্যধৰ চৌধুৰী**।



♦ নীচ বংশৰ লোক ৰজা হ'লে, মূৰ্খৰ পুত্ৰ পণ্ডিত হ'লে, নিৰ্ধনীয়ে ধন পালে, জগতখনকে তৃণকুটা যেন দেখে।

■ **চাণক্য**।

♦ মনবোৰ শুদ্ধ হ'লে পৃথিৱীত সংকোচ কৰিবলগীয়া একো নাই। কলুষিত মনেহে সকলোতে কলুষ দেখে।

■ **হেম বৰুৱা**।

♦ পৃথিৱীৰ ভিতৰত আটাইতকৈ সহজে ঠগাব পৰা লোকজন হ'ল নিজেই।

■ **বুলৱাৰ লিটন**।



♦ ৰাতি যিমানে কঠিন হ'ব প্ৰভাত সিমানে উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা আন্ধাৰে আৱৰি ধৰিলেও ভয় নকৰিবা, প্ৰভাত হ'বই।

■ **জ্যোতিপ্ৰসাদ আগৰৱালা**।

**সংগ্ৰাহকঃ ৰাতুল ৰাভা,** স্নাতক পঞ্চম যাণ্মাসিক (কলা শাখা)

# কৌতুক

**ছাত্র ঃ** এটা প্ৰশ্ন সোধো ছাৰ?
**শিক্ষক ঃ** সোধা।
**ছাত্ৰ ঃ** যদি আপোনাক হাতী এটা ফ্ৰিজৰ ভিতৰত সুমুৱাবলৈ দিয়ে, তেন্তে আপুনি কেনেকৈ সুমুৱাব?
**শিক্ষক ঃ** নাজানো।
**ছাত্ৰ ঃ** Simple! প্ৰথমে ফ্ৰিজৰ দুৱাৰখন খুলি হাতীটোক ভিতৰত সুমুৱাই দিলে হ'ল।
**শিক্ষক ঃ** অহ!!
**ছাত্ৰঃ** আৰু এটা প্ৰশ্ন ছাৰ। যদি গাধ এটা ফ্ৰিজত সুমুৱাবলৈ দিয়ে?
**শিক্ষক ঃ** Simple! প্ৰথমে ফ্ৰিজৰ দুৱাৰখন খুলি গাধটো ভিতৰত সুমুৱাই দিলে হ'ল।
**ছাত্ৰঃ** নহয়.... প্ৰথমে ফ্ৰিজৰ দুৱাৰখন খুলি হাতীটো উলিয়াই গাধটো সুমুৱাব লাগিব।
**শিক্ষকঃ** অহ!
**ছাত্ৰঃ** আৰু এটা প্ৰশ্ন ছাৰ। ধৰা হ'ল সিংহৰ ঘৰত পাৰ্টি চলি আছে আৰু সকলোবোৰ তাত উপস্থিত আছে। কিন্তু সেই পাৰ্টিত এজন Missing থাকিব। কোন সি?
**শিক্ষকঃ** নিশ্চয় সিংহ। কাৰণ সি থাকিলে সকলোকে খাই পেলাব।
**ছাত্ৰ ঃ** ভুল। তাত সেই গাধটো Missing থাকিব। কাৰণ সি ফ্ৰিজৰ ভিতৰতে আছে।
**শিক্ষকঃ** উম।
**ছাত্ৰঃ** এটা অন্তিম প্ৰশ্ন ছাৰ। সেই সিংহৰ পাৰ্টিলৈ যোৱাৰ পথত এখন নদী আছে। য'ত বহুত ঘঁৰিয়াল আছে! নদীখন কেনেকৈ পাৰ হ'ব?
**শিক্ষকঃ** নিশ্চয় নাৱেৰে। নহ'লে ঘঁৰিয়ালে খাই পেলাব।
**ছাত্ৰঃ** নহয় ছাৰ। নদীখন সাঁতুৰিয়ে পাৰ হ'ব পাৰিব। কাৰণ নদীৰ সকলো ঘঁৰিয়াল সিংহৰ পাৰ্টিলৈ গৈছে।

**সংগ্ৰাহকঃ উদিত ৰায়,**
**উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)**

# সাঁথৰ

১। টোপ টোপ টুপলি পানী পালে মুকলি।
**উত্তৰঃ** মাছ মৰা খেৱালী জাল।
২। সৰুতে বেঁকা, ডাঙৰ হ'লে পোন, তাক নাখাই থাকে কোন?
**উত্তৰঃ** ঢেঁকীয়া শাক।
৩। হাবিত কাঁহে, ওলাই নাহে।
**উত্তৰঃ** কুঠাৰ।
৪। ওপজিয়ে বুঢ়া হয় কোন?
**উত্তৰঃ** বুঢ়া আঙুলি।

# কৌতুক

**শিক্ষকঃ** ৰমেন, বাৰু কোৱাচোন ঈশ্বৰে আমাক দুখন কাণ কিয় দিছে?
**ৰমেনঃ** ছাৰ, এখন কাণেদি শুনি আনখন কাণেদি উলিয়াই দিবলৈ।

গুৱালে পুতেকক উপদেশ দিছে— বোপা মিছা কথা কেতিয়াও নক'বা।
**পুতেকঃ** যদি কোনোবাই গাখীৰত পানী মিলোৱাৰ কথা সোধে?
**গুৱালঃ** ক'বা, নাই মিলোৱা বুলি।
**পুতেকঃ** কিন্তু আমি মিলাওঁ দেখোন?
**গুৱালঃ** নহয় বোপা, আমি পানীতহে গাখীৰ মিলাওঁ, গাখীৰত পানী নিমিলাওঁ।

**নাতিঃ** ককা, আহাচোন— আমি দুয়োজন একেলগে খেলোঁ।
**ককাঃ** বাপু, তোমাৰ লগত খেলিবলৈ মই জানো তোমাৰ সমান?
**নাতিঃ** কিয় ককা, তুমি কল খাব খোজা দেখি মায়ে জানো কোৱা নাছিল, ল'ৰাই বুঢ়াই সমান বুলি?

**সংগ্ৰাহকঃ দ্বীপ কুমাৰ ৰাভা,**
**স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)**



# ENGLISH SECTION

.......................................................

Time is very slow for those who wait. Very fast for those who are scared. Very long for those who lament. Very short for those who celebrate. But for those who love, time is eternal.

**-William Shakespeare**

# Home Assignment And Dissertation Projects

## Tips for Students

**Dr. Jibeswar Koch**
Asso. Prof. & HoD, Department of Bodo


**Introduction :** Writing a Home Assignment and Dissertation Projects is now becoming compulsory for Degree Major students as per their syllabus, and it claims a challenging task for career.

The term 'assign' is derived from Latin origin 'assaignaire', which means to 'to mark out', 'to allocate a task' etc. Thus, literally it means a 'task allocated to samebody'.

Dissertation is generally an 'extended essay', with a certain length, and a 'detailed discourse'.

It is known that Home Assignment is comparatively smaller than that of dissertation, in shape and size, and in marking, too. Both of them demand a high potentiality in academic affairs.

**1.0 :** The first and foremost stage of undertaking the projects is the question of selection of the subject. But it goes without saying that the subjects of the projects are related with class-syllabus, and thus, naturally the teachers play a pivotal role as friends, philosophers and guides. It is, then becoming mendatory to initiate the projections



Primary data are to be collected from the field works, resource persons, experts, first head informents **(NORMS), while the latter (secondary data) are to be gleaned from that of library and other earlier records. Today, all kinds of data are available in internet website etc.** In principle, earlier works and their appraisals are to be referred to any projections, in terms of ethics

through few classes on theory, methods, the 5 whs of project paradigm, know-how for the field work, data collection and analysis etc.

1.1 : Data are 'Known facts or things used as a basis of inferance or researching." (Hussey : 1997). These are of two types– primary data and secondary data. The former includes an interview, focus groups (for group discussion) and questionarires, which the latter includes various documents, books, journals, media materials, replica, diaries, transcription of speeches etc.

Primary data are to be collected from the field works, resource persons, experts, first head informents (NORMS), while the latter (secondary data) are to be gleaned from that of library and other earlier records. Today, all kinds of data are available in internet website etc. In principle, earlier works and their appraisals are to be referred to any projections, in terms of ethics.

2.0 : The student-candidates are now to go to the field, with required apparatus, eg– mobile, camera, tape recorder, other writing materials, and questionaires. The concerning teachers will have to guide them, in every step.

After collecting all required data, both primary and secondary, a massive work is to be initiated to analyse data in proper way.

2.1 : The following is a short note on the minimum terms and conditions envisaged in Project Reports :

i. The Evaluation of the Project Report will be done interally in the college and marks will have to be submitted to the Examination Board of respective university and this Evaluation consists of 2 parts :

a. Project Report. (marks– 50)

b. Presentation (viva) – (marks-25)

ii. The process is generally performed by the Project Evaluation Committee (PEC) consisting of–

a. The Principal/Senior Tracher, preferrably a Ph.D degree holder from other Department.

b. The HoD of teh concerned Department,

The PEC is generally solely related with that of Departmental Research Committee (DRC).

2.2 : Now, before analysing data, a minimum knowledge about writing the project Report is to gained, as follows –

1. Prepare, if any, an Abstract/Synopsis, with hypothesis, in separate sheets.

2. Write an appellation of your Project, on the cover page with block/bold letters.

3. Envisage the symbol of your college, in the middle portion.

4. Write your name, class, Roll No. (Paper of Semester) and session,

5. The Project Report contains 50 page, with about 500 words (less in Home Assignment).

6. Write on side of each paper only, keeping a margin of about 1 inch, and use paper size A-4.

7. Learn how to use diacretic marks or symbol in respective subject, eg. use an IPA alphabets in language and linguistics,

8. Map. graph, table and figure or illustrations are to be furnished in proper place.

9. Take care of your language skill, and adhere to a good quality for projection, i.e. explicitness (love for details).

10. Be creative, and punctual, so that you will be able to table your Project Report in stipulated period.


11. Never indulge in plagiarism. As Reley warns– "Don't merely record or deserible other peoples work" (Reley : 2011).

12. "Keep a careful record of the sources of all materials, including full bibliographical details." (Law : 2001).

13. "Be good at socializing." (Law : 2011)

**2.3 : The structure of the Project Report :**

1. Preface (by the student- candidates)
2. Certificate from the HoD,
3. Table of contents,
4. An Introduction– explaining the nature of the subject, the treatment, and the reason for its selection and importance,
5. Division of the text into section or chapter–



each should be treated as an independent essay, keeping its relatedness with each other,

6. Explorations or findings,
7. Bibliography & Notes (Reference)
8. Annexture
9. Appendices, if any,

**3.0 : Table of contents :**

0.1 : Certificate from the HoD,

0.2 : Preface (by the students-candidates),

0.3 : Acknowledgement

0.4 : Symbols & Abbreviations,

Chapter-1 : **Introduction :** Relevance, earlier works & their appraisals, methodology, hypothesis (if any), scope etc.

Chapter-2 : Main treatment of the subject,

Chapter-3 : Main treatment of the subject,

Chapter-4 : Present situation of the matters related with the subject– possibilities for further investigations, more explorations to be underlined,

Chapter-5 : Conclusion, findings & suggestive remarks, select bibliography, Notes & References, Map, illustrations, appendices etc.

3.1 : Now, it has been crystal clear that the Assignment or Dissertation is to be performed by a group of 'like-minded pupils', being a process of 'cross-fertilization of ideas' (Relay : 2011).

As it is taken for granted that any kind of project is like a passer-by towards prospective academic and research activities, and that is why, the Project Report undertaken in Degree level is to just like a spade-work.

3.2 : It is noteworthy that writing a Home Assignment and Dissertation Project is highly interesting task, and an immense pleasure can be obtained if it is done with great passion.

So, let us sum up, with what Peter Medawar (1915-1987) opines– "If politics is the art of the possible, research is surely the art of the soluble. Both are immensely practical-minded affairs." (Ratcliffe: 2007).

**Further Reading & Reference :**

1.Anderson, J. et al (1986) : Thesis and Assignment writing (Reprint) Willy Eastern Ltd., New Delhi,

2. Watson, George (1983) : Writing a Thesis : A Guide to Long Essays and Dissertations, Long man.

3. Hussey, J. it al (1997) : Business Research  Macmilan Press,

4. Dawson, Dr. Catherina (2003) : Practical Research Methods, UBSPD, Delhi,

5. Riley, Pipa (2011) : Research Projects : Business Essential Series, Vina, New Delhi,

6. Essays, Papers and Dissertations in Oxford Language Reference, ed Jonathan Law, Oxford, 2001,

7. Ratcliffe, S (2007) : Oxford Dictionary of Quotations and Proverbs,

ARTICLE



# THE KOCH-RAJBONGSHIS AT A GLANCE

**Kamal Krishna Rajbongshi**
Assistant Professor,
Department of Geography

**Introduction:**

According to the data available from different sources, at present, there are 357 identified different ethnic groups comprises the population of the North-East India and the same numbers of different ethnic groups are also scattered within the geographical boundary of Assam. The Koch-Rabongshis of North-East India are also a separate ethnic group and are living in the same geographical region but their distribution is historically extended up to the north-eastern districts of the state of West Bengal, some parts of Bihar and Rangpur, Sylhet and Mymansing Districts of Bangladesh and in some parts of Nepal.Historical records speak that like the Ahom rulers of Assam the Koch kings also ruled a very vast state of the western Assam and parts of the then undivided Bengal under the leadership of Naranarayan and Chilaray and established their capital at Kochbihar, now in Bengal and from where Mahapurush Shrimanta Sankar Deva, the legendary figure of Assamese art and culture and preacher of Ekcharan nam Dharma enlighted and put early milestone of the Assamese nation-

alism. The actual figure of the total Koch-Rajbongshi people as a whole and particularly in Assam is not known, but they are occupying a sizable share of the total population. By religion they have accepted Hindu Vedic Culture and in physical racial make-up they are the descendents of Sino-Tibetan Mongoloid group. Like other aboriginal ethnic groups of the region they also follow the cultivation as their mainstay occupation and all of their culture,traditions and customs are intimately related and flourished in connection with the very socio-physical environmental situ of the region.

The Origin:

Historically the origin of the peopling in the North-East India is not well documented but through different socio-cultural researches and archaeological findings and by their carbon dating process it is accepted that the Khasis and the Jayantias of Meghalaya are the first group of people that are settled in the region in the pre-historic past. They are the descendents Austro-Asiatic group and speak Monkhamer language. Next to them, different human groups penetrated into this region in different flows or waves through different directions and they have occupied and settled and resettled due to warfare or different ethnic racial conflicts in the entire North-Eastern Region. The second group are the Sino-Tibetan people of Mongoloid origin penetrated through the north and eastern routes following river courses or the Tributaries of the River Brahmaputra to cross the Arunachal Himalaya. These Sino-Tibetan groups entered into this region in different waves at different time intervals and their flow is a continuous process which has started in the distant past and also having the evidences of recent migrants like the Khamti, Khamayang, Aiton and Turung of Arunachal Pradesh, recorded from 17th to18th century. Among the noted immigrants of Chino-Tibetan groups in the pre-historic period are the Bodo, Garo, Rabha,Hajong, Dimasa etc. and the Koch Rajbongshis also entered into this region in a separate wave, in the same temporal gap through the river course of Teesta in Sikkim Himalaya and occupied most of the built up, foot hill and flood plain zones of the lower Brahmaputra valley, now the Kochbihar and Jalpaiguri districts of West Bengal and undivided Goalpara and Kamrup districts of Assam. Later on they have extended their territory. It is better to mention in this context that some eminent scholars tried to explain that the Koch-Rajbonshis entered into this region along with the Alpine Caucasoid wave through the western direction from the Great Indo- Ganga Valley Plain; believed on the ground that they are Hindu by religion and follow Vedic Culture as the Alpine-Caucasoid wave brought the Hindu-Vedic

